জনসংযোগ, অসম                                                                                   প্ৰেছ বাৰ্ত্তা

# মুখ্য মন্ত্ৰীৰ দ্বাৰা বিষয় শিক্ষকক নিযুক্তিপত্ৰ, শিক্ষানুষ্ঠানলৈ আৰ্থিক অনুদান প্ৰদান

দিছপুৰ, ৪ ছেপ্টেম্বৰ ঃ মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে আজি অসম প্ৰশাসনীয় প্ৰাধিকাৰী প্ৰশিক্ষণ মহাবিদ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত যোৱা ২০০৭ চনৰ ৩ জুনৰ বিজ্ঞাপন অনুসৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিদ্যালয় বাছনি সমিতিয়ে নিৰ্বাচিত কৰা বিষয় শিক্ষকৰ প্ৰাৰ্থী সকলৰ নিয়োগ পত্ৰ আনুষ্ঠানিক ভাবে বিতৰণ কৰে। ১২২ গৰাকী প্ৰাৰ্থীক শিক্ষা বিভাগে বিষয় শিক্ষক হিচাপে নিযুক্তি প্ৰদান কৰিছে।

আনহাতে এই অনুষ্ঠানতে মুখ্য মন্ত্ৰী গগৈয়ে ৰাজ্যখনৰ ১০০ বছৰ বা ততোধিক পুৰণি ৩৬ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ অসম বিকাশ যোজনাৰ অধীনত প্ৰতিখনকে ৬.৯৪ লাখ টকাকৈ আৰু যোৱা শিক্ষাবৰ্ষত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ভাল ফলাফল প্ৰদৰ্শন কৰা ৩৯ খন শিক্ষানুষ্ঠানলৈ প্ৰতিখনকে ৫ লাখ টকাকৈ আৰ্থিক অনুদান আনুষ্ঠানিক ভাবে প্ৰদান কৰে।

অনুষ্ঠানত মুখ্য মন্ত্ৰী গগৈয়ে কয় যে শিক্ষাৰ উন্নয়নৰ জৰিয়তেহে দেশ তথা সমাজ এখন প্ৰকৃত উন্নয়নৰ লক্ষ্যত উপনীত হ'ব পাৰে। সমাজ-জীৱনত গা কৰি উঠা বিভিন্ন সমস্যা সমূহৰো সমাধান শিক্ষাৰ উন্নয়নৰ জৰিয়তেহে সম্ভৱ। ৰাজ্য চৰকাৰে শিক্ষাখণ্ডৰ উন্নয়নত দিয়া সৰ্বাধিক অগ্ৰাধিকাৰৰ কথা উল্লেখ কৰি মুখ্য মন্ত্ৰী গগৈয়ে কয় যে অসমৰ নতুন প্ৰজন্মক আজিৰ যুগৰ সৈতে খাপ খোৱা গুণগত মানৰ শিক্ষা প্ৰদান কৰিবলৈ বৰ্তমানৰ চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। উপযুক্ত আৰু গুণগত শিক্ষাৰ জৰিয়তেহে অসমে সৰ্বোত্তম উন্নয়নৰ লক্ষ্যত উপনীত হ'ব পাৰিব বুলি মুখ্য মন্ত্ৰীয়ে কয়।

মুখ্য মন্ত্ৰীয়ে পুনৰ কয় যে দেশ তথা সমাজ এখন গঢ়াৰ ক্ষেত্ৰত শিক্ষক সমাজে অতি গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰি আহিছে। দেশৰ ভৱিষ্যত স্বৰূপ শিশু তথা ছাত্ৰ-ছাত্ৰী সকলক গঢ় দিয়ে শিক্ষক সকলেই। মুখ্য মন্ত্ৰীয়ে নৱ নিযুক্ত বিষয় শিক্ষক সকলক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। শিক্ষকতাৰ দৰে মহান বৃত্তি এটাৰ আদৰ্শ আৰু নীতি ৰক্ষা কৰি অধিক নিষ্ঠা আৰু দায়বদ্ধতাৰে নৱ-নিযুক্ত শিক্ষক সকলক শিক্ষা দান কাৰ্যত ব্ৰতী হৈ দেশ তথা সমাজৰ প্ৰতি সেৱা আগবঢ়াবলৈ মুখ্য মন্ত্ৰী গগৈয়ে নৱ নিযুক্ত শিক্ষক সকলক আহ্বান জনায়।

সভাত শিক্ষা মন্ত্ৰী গৌতম বৰাই ৰাজ্যখনৰ শিক্ষাখণ্ডৰ উন্নয়নৰ বাবে চৰকাৰে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। শিক্ষক সকলক সমাজ এখনৰ উন্নয়নৰ প্ৰধান চালিকা শক্তি বুলি মন্তব্য কৰি মন্ত্ৰী বৰাই নৱ-নিযুক্ত শিক্ষক সকলক শিক্ষকৰ মহান দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ আহ্বান জনায়।

শিক্ষা বিভাগৰ সংসদীয় সচিব শৰৎ শইকীয়া, শিক্ষা বিভাগৰ প্ৰধান সচিব এইচ এম কেৰে, সচিব আৰু সঞ্চালককে ধৰি বিভাগটোৰ ভালে সংখ্যক শীৰ্ষ বিষয়া অনুষ্ঠানত উপস্থিত আছিল।

ৰংসাঃ
০৪-০৯-০৯

জনসংযোগ, অসম প্ৰেছ বাৰ্ত্তা

# শিক্ষক দিৱস উপলক্ষে মুখ্য মন্ত্ৰীৰ শুভেচ্ছা

দিছপুৰ, ৪ ছেপ্টেম্বৰ ঃ কাইলৈ শিক্ষক দিৱস উপলক্ষে মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে বিশ্ব বৰেণ্য দাৰ্শনিক, মহান শিক্ষক ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে ৰাজ্যখনৰ শিক্ষক সমাজলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

শিক্ষক সমাজলৈ দিয়া এক শুভেচ্ছা বাণীত মুখ্য মন্ত্ৰী গগৈয়ে কয় যে গুণগত শিক্ষাৰ প্ৰসাৰ, সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টি আৰু উপযুক্ত মানৱ সম্পদ গঢ় দিয়াৰ জৰিয়তে আমাৰ সমাজ তথা দেশখনক উন্নয়ন তথা সমৃদ্ধিৰ পথত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত শিক্ষক সমাজে অগ্ৰণী আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আগন্তুক দিনবোৰতো শিক্ষক সকলে দেশ তথা সমাজৰ প্ৰতি নিষ্ঠাপূৰ্ণ সেৱা আগবঢ়াই যাব বুলি মুখ্য মন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

ৰঃসাঃ

০৪-০৯-০৯